# দৈনিক অসম

ডিব্ৰুগড়, ২৪ পুহ, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 155। DIBRUGARH, FRIDAY, JANU


### কানৈ মহাবিদ্যালয়ৰ প্ৰযুক্তিৰ উত্তৰণৰ ইতিহাসত অন্য এক চমক

# কৰ্মচাৰীৰ বাবে 'কৰ্মবন্ধু' এপ মুকলি



**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৮ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ত ৭ জানুৱাৰীত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আনুষ্ঠানিকভাৱে মুকলি কৰে 'কৰ্মবন্ধু' নামৰ অত্যাধুনিক এক ম'বাইল এপ্লিকেচন। মহাবিদ্যালয়খনৰ কাম-কাজত অধিক সুস্থতা, স্বচ্ছতা, নিৰপেক্ষতা আৰু গতিশীলতা অনাৰ উদ্দেশ্যে এই নতুন এপটো প্ৰস্তুত কৰা হৈছে। 'কৰ্মবন্ধু' এপৰ জৰিয়তে মহাবিদ্যালয়খনৰ অনা-শিক্ষক কৰ্মচাৰীসকলে দিনটোত কৰা কৰ্মৰ খতিয়ান এতিয়াৰ পৰা মিনিটে মিনিটে, পলকে পলকে জানিব পৰা যাব। মহাবিদ্যালয়খনৰ কৰ্মচাৰীসকলে নিজৰ দায়িত্ব, কৰ্তব্য কিদৰে পালন কৰিছে, কোনে দক্ষতাৰে কাম কৰিছে, কোনে অৱহেলা কৰিছে, কোনে এলাহ প্ৰদৰ্শন কৰিছে এই সকলো জনাৰ উপৰি তেওঁলোকৰ কামৰ অগ্ৰগতি কিমান তাৰ এক সঠিক হিচাপ এই ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষই সঠিকভাৱে জানিব পাৰিব। অনলাইন মাধ্যমেৰে ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন কৰি পৃথিৱীৰ ইতিহাসত এক নজিৰবিহীন উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হোৱা কানৈ মহাবিদ্যালয়ত ইতিমধ্যে মহাবিদ্যালয়ৰ প্ৰশানীয় কাম-কাজ 'অফিচ মেনেজমেণ্ট ছফটৱেৰ'ৰ জৰিয়তে কাগজবিহীনভাৱে সম্পন্ন কৰাৰ ব্যৱস্থা হৈছে। এনে কৰাৰ ফলত মহাবিদ্যালয়খনৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি বিভিন্ন দায়িত্বত থকা অধ্যাপক-কৰ্মচাৰীসকলে পৃথিৱীৰ যিকোনো ঠাইৰ পৰাই তেওঁৰ দায়িত্ব পালন কৰিব পৰা হৈছে। প্ৰযুক্তিৰ এনে উত্তৰণৰ বাবে অসম চৰকাৰৰ অধীনৰ একমাত্ৰ প্ৰযুক্তি প্ৰতিষ্ঠান 'এমট্ৰন'ৰ দ্বাৰা অনুষ্ঠানে মহাবিদ্যালয়খনক 'আই চি টি মহাবিদ্যালয়' হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালকে উৰ্দ্ধতন কৰ্তৃপক্ষলৈ মহাবিদ্যালয়খনক 'স্মাৰ্ট এণ্ড ডিজিটেল' মহাবিদ্যালয় হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰিছে। আজি অনা-শিক্ষক কৰ্মচাৰীৰ বাবে 'কৰ্মবন্ধু' এপ মুকলিৰে চমক সৃষ্টি কৰি অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয়— বৰ্তমানৰ যুগত প্ৰযুক্তিৰ সহায় নোলোৱাকৈ কোনো প্ৰতিষ্ঠানেই দ্ৰুতগতিত আগবাঢ়িব নোৱাৰে। তেওঁ কয়— 'কৰ্মবন্ধু' এপে কেৱল কৰ্মচাৰীৰ কামৰ খতিয়ানেই ৰাখিব এনে নহয়, বৰঞ্চ কৰ্মবন্ধু এপে মহাবিদ্যালয়খনৰ প্ৰশাসনিক ব্যৱস্থাক আজিৰে পৰা অধিক শৃংখলিত আৰু দায়িত্বশীল কৰি তুলিব। এপ মুকলি অনুষ্ঠানত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী উপস্থিত থাকে।

ডাঃ দুৰ্লভ চমুৱা

# তিনিচুকীয়াত
# কেন্দ্ৰীয় প্ৰতিষ্ঠ